**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে, যে কোনো সন্ত্ৰাসবাদী সংগঠনে যদি হিংসাৰ পথ লৈ ভাৰতক আক্ৰমণ কৰিবলৈ বিচাৰে, তেন্তে সেই আক্ৰমণৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব।

২। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয়, যে জৈৱ-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত বৰ্তমানৰ ভাৰতৰ প্ৰাৰম্ভিক বিনিয়োগ আৰু নিত্য নতুন উদ্ভাৱনসমূহে আন দেশসমূহৰ সৈতে ভাৰতৰ প্ৰতিযোগিতা বৃদ্ধি কৰিব।

৩। জিম্বাবৱেৰ উপ-ৰাষ্ট্ৰপতিয়ে নতুন দিল্লীত চি আই আই ইণ্ডিয়া আফ্ৰিকা বাণিজ্য সন্মিলনত ভাষণ দি জিম্বাবৱেৰ উপ-ৰাষ্ট্ৰপতিয়ে ভাৰতৰ সৈতে জিম্বাবৱেৰ বাণিজ্যৰ পথ সদায় মুকলি বুলি উল্লেখ কৰিছে।

*আৰু*

৪। ৩০ অক্টোবৰলৈ সংবিধান সংশোধন নকৰিলে ভৱিষ্যতে ফুটবল খেলসমূহৰ ক্ষেত্ৰত ভাৰতীয় ফুটবলৰ ওপৰত আন্তৰ্জাতিক নিষেধাজ্ঞা জাৰি কৰা হ'ব বুলি ফিফাৰ পৰিচালনা কমিটি আৰু এছিয়ান ফুটবল পৰিসংঘই জানিবলৈ দিছে।

ooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে, যে ভাৰতে শান্তি-শৃংখলা বৰ্তাই ৰখাত বিশ্বাস ৰাখে যদিও কোনো সন্ত্ৰাসবাদী সংগঠনে যদি হিংসাৰ পথ লৈ ভাৰতক আক্ৰমণ কৰিবলৈ বিচাৰে, তেন্তে সেই আক্ৰমণৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব। মধ্য প্ৰদেশৰ মহুত অৱস্থিত আৰ্মী ৱাৰ কলেজত দিয়া এক ভাষণত মন্ত্ৰীজনে কয়, যে সংঘৰ্ষৰ পৰিস্থিতিৰ মাজতো আলোচনাৰ সুযোগ প্ৰদান কৰাৰ সুবিধা থাকে আৰু ভাৰতে সদায় শান্তি বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ লগতে কয়, যে ভাৰতে কেতিয়াও নিজৰ ফালৰ পৰা যুদ্ধ আৰম্ভ কৰাৰ পক্ষপাতী নহয়। মন্ত্ৰীজনে ৰণ সংবাদ নামেৰে অভিহিত এই সন্মিলনখনত উপস্থিত থাকি সামৰিক বাহিনীৰ ব্যক্তিসকলক লগ কৰি সুৰক্ষা আৰু নীতি প্ৰৱৰ্তনৰ ক্ষেত্ৰত আনিব পৰা পৰিৱৰ্তনসমূহৰ বিষয়ে আলোচনা কৰে। দেশৰ সামৰিক ব্যৱস্থা ৰক্ষা কৰাৰ ক্ষেত্ৰত কেৱল সীমাত মোতায়েন হৈ থকা সৈন্য বাহিনীয়েই নিজৰ দায়িত্ব পালন কৰা নাই। তেওঁলোকৰ লগতে নতুন প্ৰযুক্তিবিদ্যাৰ বিকাশ ঘটোৱা বিজ্ঞানীসকল, অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণত আগভাগ লোৱা দেশৰ উদ্যোগপতিসকল আৰু অনাগত সময়ত যুদ্ধ কৌশলত পাৰ্গত হিচাপে আগবাঢ়িবলগীয়া নৱ প্ৰজন্ম গঢ়ি উলিওৱা শিক্ষকসকলেও নিজৰ ভূমিকা সুন্দৰভাৱে পালন কৰি আহিছে। প্ৰতিৰক্ষা মন্ত্ৰীজনে কয়, যে দেশৰ নাগৰিকসকলৰ একতা, একনিষ্ঠতা আৰু অংগীকাৰবদ্ধ হৈ দেশখনক আগুৱাই নিব লাগিব। এই দৃষ্টিভংগীৰে আমি ২০৪৭ বৰ্ষলৈকে ভাৰতবৰ্ষক উন্নতিৰ শিখৰলৈ লৈ যাবলৈ সক্ষম হ'ম বুলিও তেওঁ উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী জিতেন্দ্ৰ সিঙে আজি কয়, যে জৈৱ-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত বৰ্তমানৰ ভাৰতৰ প্ৰাৰম্ভিক বিনিয়োগ আৰু নিত্য নতুন উদ্ভাৱনসমূহে আন দেশসমূহৰ সৈতে ভাৰতৰ প্ৰতিযোগিতা বৃদ্ধি কৰিব আৰু ভৱিষ্যতে এইসমূহৰ পৰা ভাৰতে লাভ কৰিবলগীয়া লভ্যাংশৰ পৰিমাণ বৃদ্ধি পাব। নতুন দিল্লীত আজি অনুষ্ঠিত

এখন সংবাদমেলত ড০ সিঙে কয়, যে বৰ্তমানৰ চৰকাৰখনৰ বায়' ই থ্ৰি নীতিয়ে এটা সময়ত প্ৰায় এলাগী হৈ পৰি ৰোৱা জৈৱ-প্ৰযুক্তিবিদ্যাক বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তুলিছে। তেওঁ লগতে উল্লেখ কৰে যে, বিজ্ঞানৰ এই ক্ষেত্ৰখনত বিকাশৰ যথেষ্ট সম্ভাৱনা আছে আৰু ২০৩০ বৰ্ষৰ ভিতৰত অৰ্থনীতিৰ ক্ষেত্ৰত ৩০০ বিলিয়ন ডলাৰ সংযুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই ক্ষেত্ৰখনত হোৱা উদ্ভাৱনসমূহে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত ৰোগীৰ সুবিধা হোৱাকৈ চিকিৎসা ব্যৱস্থা কৰিছে আৰু লগতে বৈকল্পিক বহনক্ষম খাদ্যৰ ব্যৱস্থা কৰিব পৰা গৈছে। তেওঁ লগতে একজিয়ম ক'ৰ অভিযানৰ সময়ত জৈৱ-প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰেৰে চলোৱা বিভিন্ন বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। বিশ্ব বন্ধু ভাৰতৰ লক্ষ্যসমূহক আগত ৰাখি বিভিন্ন সময়ত চলি থকা গৱেষণাৰ ফলাফলসমূহে ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকসকলক উপকৃত কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

**জিম্বাবুৱেৰ উপ-ৰাষ্ট্ৰপতি ড০ চি.জি.ডি.এন. চিৱেংগাই কয়, যে আফ্ৰিকা আৰু ভাৰতে বহুত আগৰে পৰা এক ঐতিহাসিক সম্পৰ্ক ৰক্ষা কৰি আহিছে। তেওঁ উল্লেখ কৰে যে, দুয়োখন দেশৰ মাজত প্ৰযুক্তি, উদ্ভাৱন, বৈচিত্ৰ্যতা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে অংশীদাৰিত্বৰ বিষয়ত গুৰুত্ব আৰোপ কৰি অহা হৈছে। আজি নতুন দিল্লীত চিআইআই ইণ্ডিয়া-আফ্ৰিকা বাণিজ্য সন্মিলনত ভাষণ প্ৰদান কৰি ড০ চিৱেংগাই কয়, যে ভাৰতৰ সৈতে ব্যৱসায় কৰিবৰ বাবে জিম্বাবোৱেৰ পথ সদায় মুকলি। তেওঁ কয় যে সদ্যহতে প্ৰধানতঃ মূল্য সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে যাতে ভাৰত আৰু আফ্ৰিকা উভয়ৰে বাবে অৰ্থনৈতিক আৰু সামাজিক উত্থানৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী অংশীদাৰিত্ব সৃষ্টি কৰিব পৰা বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব পৰা যায়। দুয়োখন দেশৰ মাজৰ অংশীদাৰিত্বই উদ্ভাৱন, সামাজিকীকৰণ আৰু বৈচিত্ৰ্যতাৰ দিশত আগুৱাই যাবলৈ দুয়োখন দেশকে সহায় কৰিব। ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কয় যে, ভাৰত-আফ্ৰিকাৰ সহযোগিতাই দুয়োখন দেশতে দক্ষতা বিকাশ আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। তেওঁ লগতে কয় যে দুয়োটা অঞ্চলতে বিভিন্ন ডিজিটেল কেন্দ্ৰ স্থাপন কৰা হৈছে । ইয়াৰ লগে লগে ডিজিটেল সাক্ষৰতাৰ লগতে প্ৰযুক্তিৰ উত্থান আৰু উন্নতিৰ ক্ষেত্ৰত ডিজিটেল ৰূপান্তৰ অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।০০০০০০**

০০০০০

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে উত্তৰ প্ৰদেশৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক এটা নিচা মুক্তি কেন্দ্ৰত এজন ব্যক্তিৰ মৃত্যু হোৱা প্ৰসংগত এখন জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে, সংবাদ মাধ্যমে নিজাকৈ দাখিল কৰা এক প্ৰতিবেদন অনুসৰি, অহা দুসপ্তাহৰ ভিতৰত এই বিষয়ত আয়োগক ঘটনা সম্পৰ্কে বিশদভাৱে প্ৰকাশ কৰিবলৈ অনুৰোধ জনাইছে। আয়োগে জনায়, যে উত্তৰ প্ৰদেশৰ মীৰাটত অৱস্থিত এটা নিচামুক্তি কেন্দ্ৰত নিৰ্য্যাতনৰ বলি হৈ

এজন ৩৮ বছৰীয়া ব্যক্তিৰ মৃত্যু হৈছিল। উল্লেখযোগ্য যে, চলিত মাহৰ ১৯ তাৰিখে কেন্দ্ৰটোৰ পৰা চিকিৎসাৰ বাবে নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ অনাৰ পাছত তাত ব্যক্তিজনক মৃত বুলি ঘোষণা কৰা হৈছিল। আনহাতে, অন্য এটা ঘটনাত এগৰাকী মুকবধিৰ মহিলাৰ ওপৰত হোৱা দলবদ্ধ ধৰ্ষণৰ ঘটনা সন্দৰ্ভত আয়োগে পুনৰবাৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য সচিবলৈ জাননী জাৰি কৰি ঘটনাৰ সবিশেষ জনাই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, ভুক্তভোগী মহিলাগৰাকীৰ যোৱা ২১ আগষ্ট তাৰিখে উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ নিজা বাসগৃহত মৃত্যু হৈছিল।

০০০০০

পবিত্ৰ গণেশ চতুৰ্থী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে এই উৎসৱত প্ৰজ্ঞা আৰু বিচক্ষণতাৰ দেৱতা গণেশৰ জন্মবাৰ্ষিকী অতি আনন্দ আৰু ভক্তিৰে পালন কৰা হয়। বাধা-বিঘিনি নাশ কৰা ভগৱান গণেশে ৰাষ্ট্ৰৰ প্ৰগতিৰ পথ প্ৰদৰ্শন কৰি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে শক্তিশালী আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈও ৰাইজলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভক্তি আৰু বিশ্বাসেৰে ভৰা এই পবিত্ৰ উৎসৱে সকলোলৈ মংগল কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ভগৱান গণেশে তেওঁৰ সকলো ভক্তক সুখ, শান্তি আৰু সুস্বাস্থ্যৰ আশীৰ্বাদেৰে পুষ্ট কৰিব বুলি তেওঁ প্ৰাৰ্থনা কৰে। উল্লেখযোগ্য যে মহাৰাষ্ট্ৰত আজি সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰা গণেশোৎসৱ পালনৰ কাৰ্য্যসূচী উলহ-মালহেৰে আৰম্ভ হৈছে। অহা অনন্ত চতুৰ্দশী পৰ্যন্ত ১১টা দিন এই উদযাপন চলি থাকিব।

০০০০০

অক্টোবৰ মাহৰ ৩০ তাৰিখলৈ সংবিধান সংশোধন নকৰিলে অনাগত সময়ৰ ফুটবল খেলসমূহত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত ভাৰতীয় ফুটবলৰ ক্ষেত্ৰত আন্তৰ্জাতিক নিষেধাজ্ঞা জাৰি কৰা হ'ব বুলি ফিফাৰ পৰিচালনা কমিটি আৰু এছিয়ান ফুটবল পৰিসংঘই জানিবলৈ দিছে। এই নিষেধাজ্ঞাই যিকোনো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাৰতৰ বিভিন্ন ফুটবল দল আৰু ক্লাবক খেল খেলাৰ ওপৰত বাধা আৰোপ কৰিব আৰু লগতে ২০৩৬ চনত আহমেদাবাদত অনুষ্ঠিত হ'বলগীয়া অলিম্পিক খেলত নিবিদা প্ৰদান কৰাৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰিব। ভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি কল্যাণ চৌবেলৈ প্ৰদান কৰা এখন পত্ৰত উল্লেখ থকা মতে ফিফাই যোৱা ২০১৭ বৰ্ষৰ পৰাই ভাৰতীয় ফুটবলৰ সংবিধানৰ বিষয় উচ্চতম ন্যায়ালয়ত স্থগিত অৱস্থাত থকাৰ বিষয়ত চিন্তা প্ৰকাশ কৰিছে। ফিফাৰ পৰিচালনা সমিতি আৰু এছিয়ান ফুটবল পৰিসংঘই সভাপতি চৌবেক উচ্চতম ন্যায়ালয়ৰ পৰা কিবা প্ৰকাৰেৰে ফিফা আৰু এ এফ চিৰ সৈতে সামঞ্জস্য থকা এখন সংশোধিত সংবিধানৰ ব্যৱস্থা কৰাৰ বাবে আদেশ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে।

০০০০০

সমাপ্ত